# 2023

## ASSAMESE

( Honours Core )

Paper : ASM–HC–3016

( অসমীয়া সাহিত্য প্ৰৱেশ )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'সাৰথি' গ্ৰন্থখনৰ লিখক কোন?

(খ) 'মমতাৰ চিঠি' কবিতাটোত উল্লিখিত মমতাৰ পুত্ৰৰ নাম কি?

(গ) প্ৰাচ্যৰ ভেনিচ ৰূপে কোনখন চহৰক অভিহিত কৰা হয়?

(ঘ) 'টোপ' গল্পটোত উল্লিখিত পুখুৰীটোৰ নাম কি?

(ঙ) অসমীয়া সাহিত্যত 'এখুদ ককাইদেউ' বুলি কাক কোৱা হয়?

(চ) 'মকৃফাইট' শব্দৰ অৰ্থ কি?

(ছ) হীৰেন গোহাঁইয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(জ) কৃষ্ণকান্ত সন্দিকৈ ব্যক্তিগত পুথিভঁৰালত সৰ্বমুঠ কিমানটা ভাষাৰ পুথি আছে?

(ঝ) 'কথা চহকী মাৰ্কিন ডেকাৰ সংগ সুখ' পাঠটোত উল্লিখিত মাৰ্কিন ডেকাজনৰ নাম কি?

(ঞ) সত্যনাথ বৰাৰ 'গীতাৱলী' কি বিষয়ক গ্ৰন্থ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) "শুনিছোঁ বন্ধু! ইব্ৰাহীমৰ কাহিনী বীৰত্বৰ।" ইব্ৰাহীম কোন? তেওঁ কি বীৰত্ব প্ৰদৰ্শন কৰিছিল?

(খ) হোমেন বৰগোহাঞিয়ে সম্পাদনা কৰা দুখন বাতৰি-কাকতৰ নাম লিখা।

(গ) চৈয়দ আব্দুল মালিকে ৰচনা কৰা দুখন গল্প-পুথিৰ নাম লিখা।

(ঘ) 'টোপ' গল্পটোত উল্লিখিত ককাজনৰ নাম কি? তেওঁ গাঁৱত কি বুলি জনাজাত?

(ঙ) বিৰিঞ্চি কুমাৰ বৰুৱাই সাহিত্য-সৃষ্টিত ব্যৱহাৰ কৰা ছদ্মনাম দুটা উল্লেখ কৰা।





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) সাধুকথা আৰু চুটিগল্পৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য সম্পৰ্কে লিখা।

(খ) অসমীয়া ভ্ৰমণ-সাহিত্যৰ এটি পৰিচয় দাঙি ধৰা।

(গ) 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসত প্ৰকাশ পোৱা শিশু মনস্তত্ত্বৰ বিভিন্ন দিশ সম্পৰ্কে লিখা।

(ঘ) মহিম বৰাৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে লিখা।

(ঙ) বিৰিঞ্চি কুমাৰ বৰুৱাই আমেৰিকাৰ চহৰ আৰু গাঁৱৰ মাজত কেনে পাৰ্থক্য দেখিছিল?

(চ) 'শৰ সন্ধান' কবিতাটোত কেনেধৰণৰ ভাৱক নিৰ্দেশ কৰিছে?

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) নৱকান্ত বৰুৱাৰ 'এটা প্ৰেমৰ পদ্য' কবিতাটোৰ মাজেৰে ৰোমাণ্টিক ভাৱধাৰা কেনেদৰে প্ৰকাশ পাইছে? বুজাই লিখা।

(খ) "সাধুকথাত লোক-সমাজ আৰু লোক-মনৰ প্ৰতিভাত হয়।" 'চম্পাৱতী সাধু'টোৰ জৰিয়তে উক্ত কথাফাঁকিৰ যুক্তিযুক্ততা বিচাৰ কৰা।

(গ) শংকৰদেৱক মানুহ হিচাপে প্ৰতিপন্ন কৰিবলৈ হীৰেন গোহাঁইয়ে কি কি যুক্তি আগবঢ়াইছে?

(ঘ) জীৱনী আৰু আত্মজীৱনী সম্পৰ্কে তোমাৰ পাঠ্যক্ৰমৰ আধাৰত এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

(ঙ) হেম বৰুৱাৰ 'মেকং নৈ দেখিলোঁ' প্ৰথম অধ্যায়ৰ আধাৰত টাইসকলৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ এক আভাস দাঙি ধৰা।

(চ) 'জীৱনৰ অমিয়া' পাঠটোত মানুহৰ চৰিত্ৰৰ বিভিন্ন দিশ আৰু গুণ সম্পৰ্কে এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

(ছ) 'দুখন ভৰি' গল্পটোৰ নামকৰণৰ তাৎপৰ্য সম্পৰ্কে লিখা।

(জ) 'জীৱন বৃত্ত'ৰ প্ৰথম অধ্যায়ত লেখকে গ্ৰাম্য জীৱনৰ চিত্ৰ কেনেদৰে অঙ্কন কৰিছে, লিখা।

★★★

**2 0 2 3**

# ASSAMESE

( Honours Core )

Paper : ASM–HC–3036

**( Culture of Assam )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) সংস্কৃতিৰ উপাদান এটাৰ নাম লিখা।

(খ) 'অসমীয়া লোকসংস্কৃতিৰ আভাস' নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(গ) অসমত বসবাস কৰা মংগোলীয় প্ৰজাতিৰ এটি জনগোষ্ঠীৰ নাম লিখা।

(ঘ) ৰান্‌গালা কোন জনগোষ্ঠীৰ নৃত্য?

(ঙ) 'দৈয়ন দিয়া' কোনটো অনুষ্ঠানৰ লগত জড়িত লোকাচাৰ?

(চ) কাতি বিহুৰ লগত জড়িত এটি কৃষিভিত্তিক লোকবিশ্বাস উল্লেখ কৰা।

(ছ) গোৱালপাৰা অঞ্চলত প্ৰচলিত এটি লোকনাট্যানুষ্ঠানৰ নাম লিখা।

(জ) অসমৰ লোকসমাজত শিশুসকলে খেলা এবিধ খেলৰ নাম লিখা।

(ঝ) আহোম যুগত নিৰ্মিত এখন শিলৰ সাঁকোৰ নাম লিখা।

(ঞ) 'লতা-কটা' পুথি বুলিলে কোনখন পুথিক বুজা যায়?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) সংস্কৃতিৰ দুটা বৈশিষ্ট্য লিখা।

(খ) উত্তৰ-পূব ভাৰতৰ দুটা মাতৃকেন্দ্ৰিক জনগোষ্ঠীৰ নাম লিখা।

(গ) অসমৰ লোকসমাজত পালন কৰা জন্ম-সম্পৰ্কীয় দুটা লোকাচাৰ উল্লেখ কৰা।

(ঘ) আহোম যুগৰ দুটা ভাস্কৰ্য উল্লেখ কৰা।

(ঙ) প্ৰাচীন অসমত প্ৰচলিত চৰাইৰ দ্বাৰা খেলোৱা দুটা খেলৰ নাম লিখা।

৩। তলত দিয়া যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদানৰ বিষয়ে চমুকৈ লিখা।





(খ) অসমৰ কাৰ্বি *অথবা* চাহ জনগোষ্ঠীৰ সংস্কৃতি সম্পৰ্কে আলোচনা কৰা।

(গ) অসমৰ লোকচিকিৎসা সম্পৰ্কে আলোচনা কৰা।

(ঘ) অসমত প্ৰচলিত শৈৱ ধৰ্ম-ধাৰা সম্পৰ্কে চমুকৈ লিখা।

(ঙ) অসমৰ চিত্ৰকলাৰ প্ৰাচীনত্বৰ বিষয়ে লিখি পুথিচিত্ৰসমূহৰ আলোচনা কৰা।

(চ) অসমীয়া সংস্কৃতিত শৰাই আৰু গামোচাৰ স্থান সম্পৰ্কে লিখা।

৪। তলত দিয়া যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) সংস্কৃতিক কি কাৰণে সামাজিক আচৰণৰ সমষ্টি বুলি কোৱা হয়, বিচাৰ কৰা।

(খ) লোকসংস্কৃতিৰ সংজ্ঞা দাঙি ধৰি ইয়াৰ প্ৰধান ভাগসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(গ) লোকাচাৰ বুলিলে কি বুজা? অসমীয়া সমাজত প্ৰচলিত বিবাহকেন্দ্ৰিক লোকাচাৰৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(ঘ) বিহু উৎসৱৰ লগত কৃষি-সম্পৰ্কীয় কেনেধৰণৰ লোকবিশ্বাসৰ প্ৰচলন আছে, বহলাই আলোচনা কৰা।

(ঙ) "আহোমসকলে অসমীয়া জাতি গঠনত আৰু অসমীয়া সাংস্কৃতিক জীৱনত অভূতপূৰ্ব বৰঙণি আগবঢ়ালে।" এই কথাষাৰিৰ আধাৰত অসমীয়া জাতি-গঠন প্ৰক্ৰিয়াত আহোমসকলৰ অৱদান সম্পৰ্কে বহলাই লিখা।

(চ) নামঘৰ, সত্ৰসমূহে অসমৰ সংস্কৃতিক সমন্বয়ৰ সংস্কৃতিৰূপে গঢ় দিয়াত কেনেধৰণৰ ভূমিকা পালন কৰি আহিছে, উদাহৰণসহ আলোচনা কৰা।

(ছ) প্ৰাচীন অসমৰ স্থাপত্য-ভাস্কৰ্য সম্পৰ্কত এটি আলোচনা প্ৰস্তুত কৰা।

(জ) অসমৰ যি কোনো দুবিধ পৰিৱেশ্য কলাৰ বিষয়ে লিখি এটি নাতিদীৰ্ঘ নিবন্ধ যুগুত কৰা।

★★★

# 2023

## ASSAMESE

( Honours Core )

Paper : ASM-HC-3026

**( Asomiya Kabitar Chaneki )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'ৰামায়ণ'ৰ উপৰি মাধৱ কন্দলিৰ নামত পোৱা আনখন কাব্য কি ?

(খ) 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চিত্ৰাৱলী চতুৰ্দ্দশীৰ খেলা' কবিতাটি কোনখন কাব্যৰ পৰা লোৱা হৈছে ?

(গ) 'শৰৎ বৰ্ণনা' কবিতাটিত উল্লেখ থকা শৰতৰ যি কোনো এটা কাৰ্য উল্লেখ কৰা।

(ঘ) 'বধকাব্য' নামৰ কাব্যশ্ৰেণীৰ ৰচক কোন ?

(ঙ) ৰাম সৰস্বতীক পিতৃয়ে দিয়া নাম কি আছিল ?

(চ) কোনখন আলোচনীৰ যোগেদি অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ সূচনা হৈছিল ?

(ছ) ৰঘুনাথ চৌধাৰীয়ে লিখা কথা-কবিতাপুথিখনৰ নাম কি ?

(জ) দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' কবিতাপুথিখন কোন চনত প্ৰকাশ পাইছিল ?

(ঝ) অজিৎ বৰুৱাৰ প্ৰথম কবিতাপুথিখনৰ নাম কি ?

(ঞ) 'গোলাপী জামুৰ লগ্ন' কবিতাপুথিৰ কবি কোন ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) মাধৱ কন্দলিৰ আন এটা নাম কি ? তেওঁ কোনজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(খ) শংকৰদেৱৰ দুখন তত্ত্বমূলক গ্ৰন্থৰ নাম লিখা ।

(গ) 'নিমি নৱসিদ্ধ সংবাদ' আৰু 'পাঞ্চালী বিবাহ' গ্ৰন্থ দুখনৰ ৰচক দুগৰাকীৰ নাম লিখা ।

(ঘ) নৱকান্ত বৰুৱাৰ প্ৰথম কাব্য-সংকলনখনৰ নাম কি ? তেওঁ কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাদেমি পুৰস্কাৰ পাইছিল ?

(ঙ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাপুথি দুখনৰ নাম লিখা ।





৩। তলত দিয়াবোৰৰ প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) "জলচৰ থলচৰ জাকে জাকে পক্ষী ।
সীতাক বিনান্তে চলি যান্ত লখি লখি ॥"

(খ) "ৰাজাক সম্বুধি কহে শুকে যেবে
বাৰিষা সময় গৈল ।
শৰত কালৰ যত মহাগুণ
সবেও বিদিত ভৈল ॥"

(গ) "ক'ৰ কোন কিবা হ'ল
চিন স্মৃতি পমি গ'ল
প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল ।"

(ঘ) "জীৱনৰ ধ্ৰুৱতৰা মাৰ যাওঁ যাওঁ
অনন্তৰ অন্তিম বুকুত,
পৰম আনন্দ ৰূপ ধ্ৰুৱ জ্যোতিকণা
নাপাম নে আৰু সিলোকত ?"

(ঙ) "কলং কপিলী দিজুৰ পাৰত ককাদেউতাৰ হাড়
বুঢ়ী আইতাৰ কলিজাৰে গজে বন-নহৰুৰ ফুল ।"

(চ) "ধোঁৱা আৰু আন্ধাৰৰ আকাশী খলপাবে
নামিল স্বয়ং শূন্যতা
নামিল হৃদয়ৰ শূন্যতা ।"

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) প্ৰাক্-শংকৰী যুগৰ অসমীয়া কবিতা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

*অথবা*

'চিত্ৰকূটৰ চিত্ৰ' কবিতাৰ মাজেদি প্ৰকাশ পোৱা কাব্যিক সৌন্দৰ্যৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(খ) শংকৰী যুগৰ অসমীয়া কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

*অথবা*

'দ্ৰৌপদীৰ বিলাপ' কবিতাত কৃষ্ণৰ আগত বিলাপ কৰি কেনেদৰে দুখৰ বৰ্ণনা কৰিছে, আলোচনা কৰা।

(গ) ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহৰ আলোচনাৰে এটি নিবন্ধ যুগুত কৰা।

*অথবা*

ৰোমাণ্টিক কবিতা হিচাপে দেৱকান্ত বৰুৱাৰ 'মনোৰমা' কবিতাৰ এটি বিশ্লেষণাত্মক আলোচনা প্ৰস্তুত কৰা।

(ঘ) সাম্প্ৰতিক কবিতাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা।

*অথবা*

'আজি আকৌ মেজাংকৰিৰ এঙাচোলা পিন্ধি' কবিতাটি সাম্প্ৰতিক কবিতাৰ লক্ষণৰ আধাৰত বিশ্লেষণ কৰা।

★★★

# 2023

## ASSAMESE

( Modern Indian Language )

Paper : ASM–CC–3016

**( Prachin Asamiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) বৰগীতবোৰক দেৱেন্দ্ৰনাথ বেজবৰুৱাই কি বিশেষণৰে নামকৰণ কৰিছে?

(খ) 'পাঁচালী' শব্দটো সংস্কৃত ভাষাৰ কোনটো শব্দৰ পৰা আহিছে?

(গ) সুকবি নাৰায়ণদেৱ বিৰচিত গীতপ্ৰধান বৃহৎ কাব্যখনৰ নামটো লিখা।

(ঘ) কমতাপুৰৰ ৰজাৰ অনুপ্ৰেৰণা লাভ কৰা কবিসকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ কবিগৰাকী কোন আছিল?

(ঙ) 'কুমৰ হৰণ' কাব্যত চিত্ৰলেখাই নাৰদক কোন ঠাইত লগ পোৱা বুলি কবিয়ে বৰ্ণনা কৰিছে?

(চ) অংকীয়া নাটত ব্যৱহৃত গদ্যক আলোচকসকলে কি গদ্য বুলি অভিহিত কৰিছে?

(ছ) অংকীয়া নাটত থকা "নিৰন্তৰে হৰি বোল হৰি।" বাক্যটোৰ 'নিৰন্তৰে' শব্দটোৰ অৰ্থ লিখা।

(জ) 'অৰ্জ্জুন ভঞ্জন' নাটৰ মূল ক'ৰ পৰা লোৱা হৈছে?

(ঝ) ভট্টদেৱে 'কথা-ভাগৱত' আৰু 'কথা-গীতা'ৰ উপৰিও আন এখন গ্ৰন্থ গদ্যত ৰচনা কৰিছিল, গ্ৰন্থখনৰ নামটো লিখা।

(ঞ) ৰঘুনাথ মহন্তই ৰচনা কৰা একমাত্ৰ গদ্যপুথিখনৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) "কেশৰ চৰণ সৰোৰুহ কিংকৰ
শংকৰ এহু অভিলাষী॥"
ইয়াত থকা 'কেশৰ' আৰু 'সৰোৰুহ' শব্দ দুটিৰ অৰ্থ লিখা।

(খ) হৰিবৰ বিপ্ৰই ৰচনা কৰা দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(গ) অনন্ত কন্দলী বিৰচিত 'কুমৰ হৰণ' কাব্যৰ দুখন আধাৰ-গ্ৰন্থৰ নাম লিখা।

(ঘ) " 'অৰ্জ্জুন ভঞ্জন' নাটত শ্ৰীকৃষ্ণৰ দ্বৈতৰূপ প্ৰকাশ পাইছে।" এই দ্বৈতৰূপ কি কি, লিখা।

(ঙ) "হে ৰঘু-কুল কমল-দিৱাকৰ, নৰেন্দ্ৰ-বৃন্দ-বন্দিত-চৰণ সৰোজ, উঠহ, উঠহ।" ইয়াত কোনে, কাক উঠিবলৈ অনুৰোধ জনাইছে?





৩। তলৰ প্ৰশ্নসমূহৰ যথাযথ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) "শত পুত্ৰৱতী যদি পতিহীনা হয়।
তথাপিতো লোকে তাক অভাগী বোলয়॥"
পদফাঁকি প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা।

(খ) 'বব্ৰুবাহনৰ যুদ্ধ' কাব্যত মণিপুৰৰ ৰাজসভাৰ বৰ্ণনা কেনেদৰে চিত্ৰিত হৈছে, লিখা।

(গ) 'কুমৰ হৰণ' কাব্যত কি কি ৰসৰ উদ্ৰেক হৈছে, আলোচনা কৰা।

(ঘ) অংকীয়া নাটৰ ভাষা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঙ) " 'অৰ্জ্জুন ভঞ্জন' নাটৰ বিষয়বস্তু বিকাশৰ তিনিটা স্তৰ দেখা যায়।" এই স্তৰ তিনিটা কি কি, আলোচনা কৰা।

(চ) ৰঘুনাথ মহন্ত ৰচিত 'ৰামৰ বন-গমন' পাঠটিৰ আধাৰত কৌশল্যা চৰিত্ৰটি বিশ্লেষণ কৰা।

তলত দিয়া প্ৰশ্নসমূহৰ বহলাই উত্তৰ দিয়া : ১০×৪=৪০

৪। (ক) বৰগীত বুলিলে কি বুজা? মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱ বিৰচিত বৰগীতৰ এটি তুলনামূলক বিচাৰ কৰা।

*অথবা*

(খ) সুকবি নাৰায়ণদেৱৰ পৰিচয় দাঙি ধৰি তেওঁৰ ৰচিত 'অ' কি বেফুলা জাগ অ" পাঁচালী গীতটোৰ বিষয়বস্তু বিশ্লেষণ কৰা।

৫। (ক) 'বভ্ৰুবাহনৰ যুদ্ধ' কাব্য অনুসৰি অৰ্জ্জুন আৰু বভ্ৰুবাহনৰ মাজত কিয় যুদ্ধ হৈছিল আৰু তাৰ পৰিণতি কি হৈছিল, বুজাই লিখা।

*অথবা*

(খ) 'কুমৰ হৰণ' কাব্যৰ মূল আৰু কবিৰ মৌলিকতা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৬। (ক) অংকীয়া নাটত 'সূত্ৰধাৰৰ প্ৰাধান্য' আৰু 'সংগীত-নৃত্যৰ সংযোজন' সম্পৰ্কে একোটিকৈ আলোচনা আগবঢ়োৱা।

*অথবা*

(খ) 'অৰ্জ্জুন ভঞ্জন' নাটত নন্দ আৰু যশোদাৰ চৰিত্ৰ দুটি কেনেৰূপত চিত্ৰিত হৈছে, আলোচনা কৰা।

৭। (ক) কুৰুক্ষেত্ৰ সমৰত অৰ্জ্জুনৰ শোক দূৰ কৰিবলৈ ভগৱান শ্ৰীকৃষ্ণই আত্মাৰ প্ৰকৃতি সম্পৰ্কে কোৱা কথাখিনি তোমাৰ নিজৰ ভাষাত বুজাই লিখা।

*অথবা*

(খ) ৰঘুনাথ মহন্তৰ 'ৰামৰ বন-গমন' পাঠটিৰ কথাখিনি তোমাৰ ভাষাত বুজাই লিখা।

★★★